# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 23-OCT-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

———————————————————

জনতাৰ শিল্পী জুবিন গাৰ্গক ন্যায় প্ৰদানৰ দাবীৰে সদৌ অসম ছাত্ৰ সন্থাই আজি ৰাজ্যজুৰি ন্যায় সমদল উলিয়ায়। সদৌ কামৰূপ মহানগৰ জিলা ছাত্ৰসন্থা আৰু কামৰূপ জিলা ছাত্ৰসন্থাৰ উদ্যোগত গুৱাহাটীৰ উজান বজাৰৰ ছহিদ ন্যাস ভৱনৰ পৰাও পুৰা ন্যায় সমদল উলিওৱা হয়। ভালে সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশ লোৱা এই সমদলৰ জৰিয়তে জুবিন গাৰ্গৰ মৃত্যুৰ পানী নসৰকা তদন্ত কৰি দোষীক কঠোৰ শাস্তি বিহিবলৈ দাবী জনোৱা হয়। ন্যায় সমদলত অংশ লৈ ছাত্ৰসন্থাৰ সভাপতি উৎপল শৰ্মাই কয়, যে জুবিন গাৰ্গৰ মৃত্যুক লৈ কোনো অস্পষ্টতা থাকি যাব নোৱাৰিব। কাৰ গাফিলতিত কি ধৰণেৰে শিল্পী গৰাকীৰ মৃত্যু হ'ল সেয়া অসমৰ ৰাইজে জানিব লাগিব বুলি তেওঁ উল্লেখ কৰে। সংগঠনটোৰ মুখ্য উপদেষ্টা সমুজ্জল কুমাৰ ভট্টাচাৰ্যই কয়, যে ৰাজ্যৰ প্ৰতিখন জিলা সদৰত ছাত্ৰ সন্থাই ন্যায় বিচাৰি এই প্ৰতিবাদ সাব্যস্ত কৰিছে। এছ আই টিয়ে দোষী সাৰি যাব নোৱৰাকৈ সাক্ষ্য প্ৰমাণ সহ এখন শক্তিশালী অভিযোগনামা দাখিল কৰিব লাগিব তেওঁ মন্তব্য কৰে।

নগাঁও জিলাতো সদৌ অসম ছাত্ৰসন্থাৰ আহ্বান মৰ্মে আজি ন্যায় সমদল কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ডিব্ৰুগড় জিলাতো আজি চৌকিদিঙি খেলপথাৰৰ ছহিদ ভৱনৰ পৰা জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ ন্যায় প্ৰদানৰ দাবীত ন্যায় সমদল উলিওৱা হয়। এই ন্যায় সমদলক সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক সমীৰণ ফুকনে নেতৃত্ব দিয়ে। একেদৰে হোজাই জিলা ছাত্ৰ সন্থাৰ তিনি শতাধিক কৰ্মীয়ে আজি জিলাখনত ন্যায় সমদল কৰে। ধেমাজি জিলাতো ছহিদ বেদীৰ বাকৰিৰ পৰা ধেমাজি নগৰৰ মাজেৰে সমদল উলিয়াই সহস্ৰাধিক আছু কৰ্মীয়ে শিল্পীগৰাকীক ন্যায়ৰ দাবী তোলে।

তামুলপুৰত আজি সদৌ অসম ছাত্ৰসন্থাৰ উদ্যোগত ভালেসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে শিল্পীগৰাকীক ন্যায় প্ৰদানৰ দাবীত সমদলত অংশ লয়।

অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদেও আজি ৰাজ্যৰ বিভিন্ন জিলাত জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাত অভিযুক্তসকলৰ শাস্তি বিচাৰি প্ৰতিবাদ সাব্যস্ত কৰে। সংগঠনটোৰ ধেমাজি জিলা সমিতিৰ লগতে বিভিন্ন আঞ্চলিক সমিতিৰ সহযোগত গোগামুখত প্ৰতিবাদ সাব্যস্ত কৰা হয়। ওদালগুৰিতো সংগঠনটোৱে এই প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰে। ইপিনে বিজেপিয়ে ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজিও জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ ন্যায় বিচাৰি ন্যায় সমদল উলিয়ায়। মঙলদৈত আজি এই ন্যায় সমদলত মন্ত্ৰী পীযুষ হাজৰিকাই অংশগ্ৰহণ কৰে।

০০০০০

শিলচৰত শেহতীয়াকৈ গ্ৰেপ্তাৰ হোৱা কেইবাগৰাকী ভুৱা চিকিৎসক নেটৱৰ্কৰ আৰৰ মূল ব্যক্তি ডাঃ জয়ন্ত প্ৰসাদ দাসক আজি শিলচৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। এখন ব্যক্তিগত চিকিৎসালয়ৰ স্বত্বাধিকাৰী এই লোকজন শিলচৰত ইতিপূৰ্বে গ্ৰেপ্তাৰ হোৱা ১৩ জন ভুৱা চিকিৎসকক প্ৰমাণপত্ৰ প্ৰদানকে ধৰি কেতবোৰ নীতি বহিৰ্ভুত কাৰ্যত জড়িত আছিল বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। কাছাৰৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক নোমল মাহাত্তাই আজি সাংবাদিকৰ আগত প্ৰকাশ কৰা মতে অভিযুক্ত দাসে দীৰ্ঘদিন ধৰি চলাই অহা ৰাষ্ট্ৰীয় চিকিৎসা বিজ্ঞান প্ৰতিষ্ঠান নামৰ স্বীকৃতি বিহীন প্ৰতিষ্ঠান এটাৰ পৰা ভুৱা চিকিৎসা বিজ্ঞানৰ ডিগ্ৰী আৰু প্ৰমাণ পত্ৰ প্ৰদান কৰা হৈছিল। এই প্ৰতিষ্ঠানে প্ৰদান কৰা প্ৰমাণ পত্ৰৰ কোনো আইন সংগত স্বীকৃতি নাই বুলিও শ্ৰী মাহাত্তাই প্ৰকাশ কৰে। আজি অভিযুক্ত দাসক গ্ৰেপ্তাৰৰ পাছত আদালতত হাজিৰ কৰোৱা হয় আৰু অধিক তদন্তৰ বাবে আৰক্ষীয়ে জিম্মাত লৈছে বুলি জ্যেষ্ঠ আৰক্ষী অধীক্ষকগৰাকীয়ে প্ৰকাশ কৰে।

(বাইট)

০০০০০

অসম দৰ্শন আঁচনিৰ অধীনত টিয়ক বিধানসভা সমষ্টিৰ অন্তৰ্গত ৩৮ নম্বৰ বালিগাঁও পঞ্চায়তত নহটীয়া বৰনামঘৰ আৰু কেকেৰচুক নামঘৰৰ আধাৰশিলা স্থাপন কৰা হয়। যোৰহাট জিলা বিজেপিৰ সভাপতি শান্তনু পুজাৰীয়ে নামঘৰৰ আধাৰশিলা স্থাপন কৰে। উল্লেখযোগ্য যে ৰাজ্যৰ আধ্যাত্মিক আৰু সাংস্কৃতিক ঐতিহ্য সংৰক্ষণৰ ক্ষেত্ৰত বিশেষ পদক্ষেপ হিচাপে ৰূপায়ণ কৰা অসম দৰ্শন আঁচনিৰ অধীনত বিগত ৪ বছৰত ৭৩২ কোটিৰো অধিক টকা ব্যয় সাপেক্ষে ৩ হাজাৰ ৪৩৪ টা ধৰ্মীয় আৰু সাংস্কৃতিক প্ৰতিষ্ঠানৰ উন্নয়ন সাধন কৰা হৈছে। তদুপৰি এই আঁচনিৰ জৰিয়তে এনে প্ৰতিষ্ঠানসমূহৰ ঐতিহাসিক আৰু আধ্যাত্মিক মূল্যবোধক গুৰুত্ব দিয়া হৈছে।

০০০০০

যোৰহাটৰ লিচুবাৰী ডেনিছ নগৰৰ ড০ মুৰ্চনা খুচৰু নামৰ অধ্যাপিকাগৰাকীয়ে ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ইছৰোৰ এটা অভিলাষী গৱেষণা প্ৰকল্পৰ বাবে বাচনি লাভ কৰিছে। মেঘালয়ৰ ইউ এছ্ টি এমৰ পদাৰ্থ বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপিকাগৰাকীয়ে ইছৰোত ভাৰতৰ প্ৰথম সৌৰ অভিযান আদিত্য এল ৱান সন্দৰ্ভত এটা গৱেষণা প্ৰকল্পৰ নেতৃত্ব দিব।

০০০০০

সমাপ্ত